**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 07-10-2026
**Time :** 0705 HRS.

ASSAMESE NSD MORNING BULLETIN

## HEADLINES

**::::::::::::::::::::**

১। ভাৰত-ই এফ টি এ বাণিজ্য আৰু অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ছুইজাৰলেণ্ডৰ ৰাষ্ট্ৰপতি গাই পাৰ্মিলিনে দ্বিতীয় ভাৰত ই এফ টি এ অগ্ৰগতি সন্মিলনত অংশ ল'ব।

২। নতুন দিল্লীত আজিৰে পৰা ১০ অক্টোবৰলৈ ভাৰত মোবাইল কংগ্ৰেছৰ আয়োজন কৰা হৈছে।

৩। অসমৰ নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ কালি সম্পন্ন হয়।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাজনৈতিক যাত্ৰাই আজি ২৫ বছৰ সম্পূৰ্ণ কৰিলে। *আৰু*

৫। ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে কালি আলহী দলটোক ৮ উইকেটত পৰাস্ত কৰে।

০০০০০

ভাৰত-ইউৰোপীয় মুক্ত বানিজ্য সংঘ বাণিজ্য আৰু অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু চুইজাৰলেণ্ডৰ ৰাষ্ট্ৰপতি গাই পাৰ্মেলিনে আজি ভাৰত মণ্ডপমত দ্বিতীয় ভাৰত-ইএফটিএ অগ্ৰগতি সন্মিলনত অংশ ল'ব। এই সন্মিলনত ভাৰত আৰু ই এফ টি এ ৰ সদস্য ৰাষ্ট্ৰ- ছুইজাৰলেণ্ড, নৰৱে, আইচলেণ্ড আৰু লাইচেনেনষ্টেইনৰ শীৰ্ষ চৰকাৰী বিষয়া, উদ্যোগ নেতা আৰু মূল অংশীদাৰসকলক একত্ৰিত কৰি অৰ্থনৈতিক সহযোগিতা অধিক শক্তিশালী কৰা, ব্যৱসায়িক অংশীদাৰিত্ব গঢ়ি তোলা আৰু বাণিজ্য, বিনিয়োগ, প্ৰযুক্তি সহযোগিতা তথা উদ্ভাৱনৰ ক্ষেত্ৰত নতুন সুযোগ মুকলিত গুৰুত্ব আৰোপ কৰা হ'ব। "১০ হাজাৰ কোটি মাৰ্কিন ডলাৰৰ বিনিয়োগ অংশীদাৰিত্ব গঢ়ি তোলা আৰু ভাৰতত ১০ লাখ নিয়োগ সৃষ্টি কৰা" শীৰ্ষক বিষয়বস্তুৰে আয়োজন কৰা এই সন্মিলনত বাণিজ্য আৰু অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তি, টেপাৰ অগ্ৰগতি পৰ্যালোচনা কৰা, নতুন বিনিয়োগ ঘোষণা কৰা, উদ্যোগ-চৰকাৰৰ সহযোগিতা শক্তিশালী কৰা, আৰু মূল খণ্ডসমূহত সুযোগৰ অন্বেষণ কৰা আদিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব। উল্লেখযোগ্য যে ২০২৫ চনৰ ১ অক্টোবৰৰ পৰা বলবৎ হোৱা ভাৰত-ইএফটিএ বাণিজ্য আৰু অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিৰ প্ৰথম বৰ্ষপূৰ্তিৰ লগত সংগতি ৰাখি তিনিদিনীয়া ভ্ৰমনসূচীৰে ৰাষ্ট্ৰপতি পাৰ্মেলিন ভাৰতলৈ আহিছে। ইয়াৰ পূৰ্বে যোৱা সোমবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীৰ হায়দৰাবাদ হাউছত চুইজাৰলেণ্ডৰ ৰাষ্ট্ৰপতি গাই পাৰ্মেলিনৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। দুয়োগৰাকী নেতাই পৰিবহণ প্ৰযুক্তি, গতিশীলতা ব্যৱস্থা আৰু আন্তঃগাঁথনিৰ প্ৰচাৰ আৰু সহযোগিতাৰ ক্ষেত্ৰত কেইবাখনো চুক্তিত স্বাক্ষৰ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে এখন যুটীয়া সংবাদমেলত ভাৰত-ছুইজাৰলেণ্ডৰ সম্পৰ্কৰ প্ৰতি ৰাষ্ট্ৰপতি পাৰ্মেলিনৰ দায়বদ্ধতাৰ শলাগ লয়। তেওঁ কয় যে ভাৰতে যোৱা অক্টোবৰত ইউৰোপীয় মুক্ত বাণিজ্য সংস্থা, ই এফ টি এৰ দেশসমূহৰ সৈতে ঐতিহাসিক

বাণিজ্য আৰু অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তি ৰূপায়ণ কৰিছিল। সংবাদমেলত ৰাষ্ট্ৰপতি পাৰ্মেলিনে কয় যে ভাৰত-ছুইজাৰলেণ্ডৰ সম্পৰ্ক গণতান্ত্ৰিক মূল্যবোধৰ লগতে বিশ্বাস আৰু পাৰস্পৰিক সন্মানৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে। তেওঁ লগতে কয় যে দুয়োখন দেশৰ ঘনিষ্ঠ, ব্যাপক আৰু দীৰ্ঘদিনীয়া অংশীদাৰিত্বক অধিক দৃঢ়, গভীৰ আৰু শক্তিশালী কৰাৰ দিশত তেওঁৰ এই ভ্ৰমণ অতি গুৰুত্বপূৰ্ণ। ৰাষ্ট্ৰপতিগৰাকীয়ে টেপাৰ ৰূপায়ণৰ প্ৰথম বৰ্ষপূৰ্তিৰ তাৎপৰ্যত আলোকপাত কৰি এয়া ভৱিষ্যতৰ সহযোগিতাৰ লগতে দুয়োপক্ষই এই ক্ষেত্ৰত কৰা অগ্ৰগতিৰ মূল্যায়নৰ এটা মূহুৰ্ত্ত বুলি উল্লেখ কৰে।

ooooo

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কালি নতুন দিল্লীত ছুইজাৰলেণ্ডৰ ৰাষ্ট্ৰপতি গাই পাৰ্মেলিনক সাক্ষাৎ কৰে। সামাজিক মাধ্যমত এই বিষয়ে উল্লেখ কৰি বিত্ত মন্ত্ৰালয়ে কয়, যে আলোচনাকালত দুয়ো পক্ষই উভয় দেশৰ উমৈহতীয়া স্বাৰ্থ জড়িত হৈ থকা বিষয়সমূহক লৈ কথা পাতে। বিনিয়োগ বৃদ্ধিৰ লগতে অৰ্থনৈতিক সংযোগ ত্বৰান্বিত কৰাৰ লক্ষ্যৰে দুয়োখন ৰাষ্ট্ৰৰ বাবে লাভদায়ক দ্বিপাক্ষিক বিনিয়োগ চুক্তিৰ বিষয়ে আলোচনা আগবঢ়াই নিয়াৰ বাবেও দুয়োগৰাকী নেতাই মত বিনিময় কৰে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰযুক্তি সৰ্বাংগীন আৰু বহনক্ষম উন্নয়নৰ আহিলা হোৱা উচিত বুলি প্ৰকাশ কৰিছে। ভাৰত মোবাইল কংগ্ৰেছৰ পূৰ্বে কালি সেৱা তীৰ্থত মোবাইল যোগাযোগ সংস্থাৰ গোলকীয় ব্যৱস্থা অৰ্থাৎ জি এছ্ এম এ-ৰ সদস্যসকলৰ সৈতে মত বিনিময় কৰি প্ৰধানমন্ত্ৰী মোদীয়ে এইদৰে কৰে। নতুন দিল্লীত আজিৰে পৰা ১০ অক্টোবৰলৈ ভাৰত মোবাইল কংগ্ৰেছৰ আয়োজন কৰা হৈছে। শ্ৰীমোদীয়ে সমাজৰ কোনো লোক যাতে বাদ পৰি নাযায় তাৰ বাবে প্ৰযুক্তিৰ গণতান্ত্ৰিকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে প্ৰযুক্তি আৰু ডিজিটেল সেৱাসমূহ বিশেষকৈ গ্লোবেল ছাউথৰ বাবে সহজ আৰু সুলভ হোৱাটো প্ৰয়োজন। তেওঁ লগতে ডিজিটেল বিভাজন দূৰ কৰাৰ বাবে প্ৰতিজন লোকে যাতে প্ৰযুক্তিৰ সুবিধা লাভ কৰিব পাৰে এই বিষয়টো গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনিৰ সম্ভাৱনাক বিশেষকৈ উন্নয়নশীল দেশসমূহৰ বাবে পৰিৱৰ্তনশীল শক্তি বুলি উল্লেখ কৰে। ইপিনে ডিজিটেল আৰু চাইবাৰ জালিয়াতিৰ বৰ্ধিত প্ৰত্যাহ্বানৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে ইয়াৰ বাবে প্ৰযুক্তিচালিত সমাধানৰ প্ৰয়োজন। তেওঁ প্ৰযুক্তিৰ ব্যৱহাৰকাৰীসকলৰ বাবে সম্ভাব্য ভুৱা ফোনকলৰ বিষয়ে সজাগতামূলক বাৰ্তা প্ৰেৰণৰ পৰামৰ্শ আগবঢ়ায়। ডিপফেক আৰু এ আই আধাৰিত কণ্টেণ্টসমূহৰ বৰ্ধিত ভাবুকি সন্দৰ্ভত শ্ৰীমোদীয়ে ব্যৱহাৰকাৰীসকলক ইয়াৰ উৎস তৎক্ষণাত চিনাক্ত কৰিব পৰাকৈ ব্যৱস্থা গঢ়ি তোলাৰ বাবে পৰামৰ্শ দিয়ে। বৈঠকত কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া, ৰাজ্য মন্ত্ৰী ড০ পেন্মাছানি চন্দ্ৰশেখৰকে ধৰি জি এছ্ এম এৰ সদস্য তথা চৰকাৰৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

ooooo

অসমৰ নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ কালি সম্পন্ন হয়। বিয়লি ৫ বজা পৰ্যন্ত লাভ কৰা তথ্য অনুসৰি এই উপ-নিৰ্বাচনত ৭৬ দশমিক ২-০ শতাংশ ভোটদান হয়। এই উপ-নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টি, কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ একোগৰাকীকৈ প্ৰাৰ্থীক ধৰি মুঠ ৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। অহা ৯ অক্টোবৰত উপ-নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব। সমষ্টিটোৰ

পূৰ্বৰ কংগ্ৰেছ সাংসদগৰাকীয়ে পদত্যাগ কৰি ভাৰতীয় জনতা পাৰ্টিত যোগদান কৰাৰ বাবে উপ-নিৰ্বাচন অনুষ্ঠিত কৰিবলগীয়া হয়।

০০০০০

অসমৰ শিলচৰ পৌৰ নিগমৰ নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিয়ে বৃহৎ জয় সাব্যস্ত কৰিছে। কালি অনুষ্ঠিত ভোটগণনা অনুসৰি দলটোৱে নিৰ্বাচন অনুষ্ঠিত হোৱা ৪০টা ৱাৰ্ডৰ ভিতৰত ৩০টাতে বিজয় অৰ্জন কৰে। নিগমৰ ৯ আৰু ২০ নম্বৰ ৱাৰ্ডত দলটোৰ দুগৰাকী প্ৰাৰ্থীয়ে ইতিমধ্যে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱাৰ ফলত বিজেপিয়ে দখল কৰা ৱাৰ্ডৰ সংখ্যা ৩২ লৈ বৃদ্ধি হৈছে। নিৰ্বাচনত ছটা ৱাৰ্ডত নিৰ্দলীয় প্ৰাৰ্থীয়ে বিজয় সাব্যস্ত কৰাৰ বিপৰীতে কংগ্ৰেছ আৰু অসম গণ পৰিষদে দুটাকৈ ৱাৰ্ড দখল কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাজনৈতিক যাত্ৰাই আজি ২৫ বছৰ সম্পূৰ্ণ কৰিলে। এই উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে আজি বিকশিত ভাৰত সংকল্প সভাত ভাষণ দিব। উত্তৰ প্ৰদেশৰ বিভিন্ন প্ৰান্তৰ কেইবাগৰাকী জ্যেষ্ঠ দলীয় নেতাই এই অনুষ্ঠানত ভাৰ্চুৱেলী অংশগ্ৰহণ কৰিব। অযোধ্যাৰ পৰা বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সচিব বিনোদ তাৱ'ড়ে, লক্ষ্ণৌৰ হজৰতগঞ্জৰ পৰা উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথ, উপ-মুখ্যমন্ত্ৰী ব্ৰজেশ পাঠক আৰু ৰাজ্যিক দায়িত্বাহী ডঃ মেধা কুলকাৰ্নীয়ে অংশগ্ৰহণ কৰিব। বিত্ত দপ্তৰৰ ৰাজ্য মন্ত্ৰী পংকজ চৌধুৰীয়ে এই অনুষ্ঠানত বাৰাণসীৰ পৰা অংশগ্ৰহণ কৰাৰ লগতে বিজেপিৰ প্ৰাক্তন ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই নয়ডাৰ পৰা ভাৰ্চুৱেলী অংশ ল'ব। কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং, উত্তৰ প্ৰদেশৰ উপ-মুখ্যমন্ত্ৰী কেশৱ প্ৰসাদ মৌৰ্যাকে ধৰি নিৰ্বাচিত প্ৰতিনিধি তথা অন্যান্য দলীয় নেতা-কৰ্মীসকলে বিভিন্ন স্থানৰ পৰা বিকশিত ভাৰত সংকল্প সভাত অংশগ্ৰহণ কৰিব।

০০০০০

বিজেপিয়ে কালি কংগ্ৰেছ আৰু লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীক মিছা প্ৰচাৰৰ বাবে সমালোচনা কৰি কয় যে নিৰ্বাচন আয়োগে গান্ধীয়ে আয়োগক সাক্ষাৎ কৰিবলৈ নিযুক্তি বিচৰা বুলি কৰা দাবী নস্যাৎ কৰিছে। সংবাদ মাধ্যমক অৱগত কৰি বিজেপিৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ ডঃ সুধাংশু ত্ৰিবেদীয়ে কয় যে গোটেই দিনটো গান্ধীয়ে দাবী কৰিছিল যে তেওঁক নিৰ্বাচন আয়োগক সাক্ষাৎ কৰিবলৈ দিয়া হোৱা নাই; অৱশ্যে নিৰ্বাচন আয়োগে স্পষ্টভাৱে উল্লেখ কৰিছে যে বিৰোধীৰ পৰা বৈঠকৰ বাবে কোনো অনুৰোধ পোৱা হোৱা নাছিল। বিৰোধী নেতাগৰাকীয়ে আয়োগক সাক্ষাৎ কৰিব বিচৰাটো আৰক্ষীৰ জৰিয়তেহে অৱগত হোৱা বুলি নিৰ্বাচন আয়োগৰ প্ৰেছ বিজ্ঞপ্তিত প্ৰকাশ কৰা হৈছে।

০০০০০

ভাৰতে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে চলিত পাঁচখনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট মেচৰ শৃংখলাত ১-০ৰ অগ্ৰগতি লাভ কৰিছে। ভাৰতে যোৱা নিশা লক্ষ্ণৌত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত আলহী দলটোক ৮ উইকেটত পৰাস্ত কৰে। খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ৱেষ্ট ইণ্ডিজে ১৯ অভাৰ আৰু এটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৭১ ৰান সংগ্ৰহ কৰে। দলটোৰ এছ ৰাডাৰফ'ৰ্ডে ৫৬ আৰু ছেই হ'পে ৫২ ৰানৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ নমন ধিৰে তিনিটা আৰু অক্ষৰ পেটেল আৰু কুলদীপ যাদৱে

দুটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত ভাৰতে ১৪ অভাৰ আৰু ৪টা বলত দুটা উইকেটৰ বিনিময়ত অনায়াসে বিজয় লক্ষ্য অতিক্ৰম কৰে। ভাৰতৰ শ্ৰেয়াছ্ আয়াৰে ৪৩টা বলত ১০২ আৰু ঈষাণ কিষাণে ২৭টা বলত ৩৭ ৰান কৰি আউট নোহোৱাকৈ থাকে। খেলখনত আগবঢ়োৱা অনবদ্য প্ৰদৰ্শনৰ বাবে শ্ৰেয়াছ আয়াৰক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

শৃংখলাৰ দ্বিতীয়খন খেল অহা শুকুৰবাৰে ৰাঁচিত খেলোৱা হ'ব।

০০০০০

তাৰকা খেলুৱৈ ন'ভাক জকোভিচে সপ্তম চীনা অ'পেন টেনিছ প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে। বেইজিঙত অনুষ্ঠিত প্ৰতিযোগিতাৰ ফাইনেল খেলখনৰ দ্বিতীয় ছেট চলি থকাৰ সময়তে প্ৰতিদ্বন্দ্বী খেলুৱৈ এলেক্স ডি মিনাউৰে উৰু সন্ধিৰ আঘাতৰ বাবে খেলখনৰ পৰা বাহিৰ হ'বলগা হয়। উল্লেখযোগ্য যে এই খিতাপকে ধৰি জকোভিচে ট্যুৰ পৰ্যায়ৰ ১০২ খন প্ৰতিযোগিতাত চেম্পিয়ন খিতাপ অৰ্জন কৰে। টেনিছৰ ইতিহাসত এইপৰ্যন্ত জিমি কনৰ্চে ১০৯ আৰু ৰোজাৰ ফেডাৰাৰে ১০৩টা ট্যুৰ পৰ্যায়ৰ খিতাপ দখল কৰিছে। ২০১৫ চনত চেম্পিয়নৰ খিতাপ অৰ্জন কৰাৰ পাছত জকোভিচে এইবেলি পুনৰবাৰ চীনা অ'পেন টেনিছ প্ৰতিযোগিতাত অংশ লৈছিল। খেলুৱৈগৰাকীয়ে প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত ইউ এছ অ'পেন টেনিছ প্ৰতিযোগিতাৰ চেম্পিয়ন আলেকজেণ্ডাৰ জেভেৰেভ আৰু ছেমি ফাইনেলত ডেনিল মেডভেডেভক পৰাস্ত কৰিছিল।

০০০০০

সমাপ্ত